333·3

# উজু পাঠ।

## প্ৰথম ভাগ।

৺বলদেব মহন্ত প্ৰণীত।

নগাঁওৰ পৰা

ডি, এন, বৰুৱা এণ্ড সন্স্ দ্বাৰা প্ৰকাশিত।

সপ্তদশ সংস্কৰণ।

কলিকাতা,

১৭ নং মদন মিত্ৰেৰ লেন, বেঙ্গল প্ৰেসে,

শ্ৰীৰমণীমোহন দে দ্বাৰা মুদ্ৰিত।

সন ১৩১১ সাল।

মূল্য ৵০ দুই আনা।

76

# উজুপাঠ।

## প্ৰথম ভাগ।

HANDLE WITH CARE
RARE

৺বলদেব মহন্ত প্ৰণীত।

নগাঁওৰ পৰা
ডি, এন্, বৰুৱা এণ্ড সন্স্ দ্বাৰা প্ৰকাশিত।


[ সপ্তদশ সংস্কৰণ। ]

Reference Book

কলিকাতা।

১৭ নং মদন মিত্ৰেৰ লেন, বেঙ্গল প্ৰেস হইতে
শ্ৰীৰমণীমোহন দে দ্বাৰা মুদ্ৰিত।

76/Ass.



# UJUPATH.

## PART I.

BY


BABU BALADEV MOHONTO

OF

NOWGONG, ASSAM.

The work contains many useful and interesting lessons. It may be used as a text book, and resolved that the book be recommended for use as the Lower Primary Course.

*Dated the Nowgong,* *1884* } (Sd.) GUNABHI RAM BARUA
*Secretary,*
*Text Book Committee.*



# উজপাঠ।

## বিদ্যা।

অহে মোৰ প্ৰিয় ল'ৰা উপদেশ ধৰা,
কায়মনোবাক্যে তুমি বিদ্যা শিক্ষা কৰা।
বিদ্যাশিক্ষা কৰিবৰ এই হে সময়,
ধেমালিত কাল হৰা, উচিত নহয়।
এতিয়া কৰিলে কাল, ধেমালিত হানি;
বিদ্যাধন উপাৰ্জ্জন, কৰিবা কাহানি?
সৰু কালে বিদ্যা আৰ্জ্জি, যিটে নলয়;
কেতিয়াও তাৰ সুখ, নহয় নহয়।
সুখী আৰু ভদ্ৰ যদি, হব খোজা মনে;
বিদ্যা উপাৰ্জ্জন কৰি, লোৱা প্ৰাণপণে।
বিদ্যাৰ সমান ধন নাই সংসাৰত;
অন্য ধন নোহে সম, বিদ্যাৰ লগত।
বিদ্যাৰ সুগুণ দেখা, কেনে বিপৰীত;
দান কৰিলেহে বৃদ্ধি, হয় যথোচিত।

অন্য ধন চোৰে নিব, পাৰে অনায়াসে ;
দুৰ্জ্জনে ধনৰ লোভে প্ৰাণকে বিনাশে।
বিদ্যাধন হৰে এনে, কোনো লোক নাই ;
সহোদৰ সবে অংশ, বিদ্যাৰ নাপাই (য়)।
সৰুকালে আৰ্জ্জি তুমি, লোৱা বিদ্যাধন ;
তেহে সুখ সন্তোষত, যাব ই জীৱন।

---

# মূৰ্খৰ খেদ।

বহু দুঃখ সহি থাকি, মনৰ বেজাৰে ;
মূৰ্খে এইৰূপ কথা ভাবি খেদ কৰে।
অন্নবস্ত্ৰ-দুখে মোৰ, দিনে যুগ যায় ;
ইজন্মত সুখী হোৱা, নেদেখোঁ উপায়।
শৰীৰৰ তেজ পানী, কৰিকৰোঁ বন ;
তথাপি নহয় দেখোঁ, উদৰ পূৰণ।
বড় বড় লোক বোৰ মহাসুখে থাকে ;
সকলো প্ৰজাই মান কৰে সিহঁতকে।
ভাল বস্তু খায় আৰু, ভাল বস্ত্ৰ পিন্ধে ;
মোৰ দৰে সদা ভ্ৰমি, নুফুৰে প্ৰবন্ধে।
অল্প শ্ৰমে সুখী, সুখে ৰাখিছে আনক ;
"চাবাচ" মনুষ্য জন্ম, কৰিছে সাৰ্থক।

পূৰ্ব্বজন্মে দান পুণ্য, বহুত কৰিলে ;
সেই হেতু শ্ৰেষ্ঠ ঘৰে, জনম ধৰিলে।
নানা কষ্ট সহ্য কৰি, শিশু সময়ত ;
উপাৰ্জ্জন কৰি ল'লে বিদ্যা যথাৱত।
"দুখতেহে মুখভৰে," বুলি লোকে কয় :
আপোনাতে পালোঁ কথা, অসত্য নহয়।
পূৰ্ব্বজন্মে ভিক্ষুকক, একোকে নিদিলোঁ ;
দাৰিদ্ৰক দেখি মই ৰঙ্গে হাঁহি ছিলোঁ।
নিন্দা অহঙ্কাৰ আদি, মহাপাপ যত ;
কৰিলোঁ হ'ব'লা মই, পূৰ্ব্ব জনমত।
তাৰ ফলে মোৰ সুখ, কপালত নাই ;
দুঃখকে লেখিলে, কপটিয়া বিধাতাই।
দিবা নিশি চিন্তা মই কিমান কৰিম ;
দুখীয়া দেহত দুঃখ, কতনো সহিম ?
সৰুকালে বিদ্যা নিশিকিলোঁ মূঢ়মতি ;
ভুগিবই লাগে মই, অৱশ্যে দুৰ্গতি।
কেতিয়াবা মোৰ যদি, প্ৰণয়িনী হয় ;
ভাগ্যে যদি তাই(ৰ) গৰ্ভে পুত্ৰ জনময়।
কোনোমতে তাক মই, শিক্ষিত কৰিম :
এনে দুঃখ ভুগিবলৈ, কাচিতো নিদিম।

## কাৰ আদৰ নাই ?

কন্যামৰা জামাতাত, নাথাকে তা,
ঘৰজীয়া পুৰুষৰ, নাই সমাদৰ।
যি বৈদ্যৰ দ্বাৰা ৰোগ, নোহে নিবাৰণ ;
সিজন বৈদ্যক ভক্তি, কৰে কোন্ জন ?
কথাৰ অবাধ্য যদি, কোনো ল'ৰা হয় ;
পিতা মাতা গুৰুজনে, তাক নাদৰয়।
আদৰ নাপায় যিটে, দম্ভ কৰি ফুৰে;
অনাদৰ ধন ধান, নাই যাৰ ঘৰে।
গন্ধহীন ফুল যদি, সুৰূপেই হয় ;
তাক পাই কাৰো মন, সন্তুষ্ট নহয়।
অতীক্ষ্ণ অস্ত্ৰক লোকে কৰে অনাদৰ ;
ক'ত কোনে নিগু´ণীক কৰে সমাদৰ ?

---

## কাৰ সুখ নাই।

সুখ নাই সুখ নাই, ক'তো ধৰুৱাৰ ;
অণুমাত্ৰো সুখ নাই, চিৰ ৰুগীয়াৰ।
সুখ নাই যিটে সদা, গোচৰত ফুৰে;
মাতৃৰ অসুখ যদি, পুত্ৰ থাকে দূৰে।

অহনিশে যাৰ ঘৰে, নুগুছে কন্দল ;
তাৰ ঘৰে সুখৰূপ, নুফুলে কমল।
সকলো সম্পত্তি আছে পত্নী কিন্তু নাই ;
এনেকুৱা সংসাৰীৰ, কোনো সুখ নাই।
ধনী বা নিৰ্ধন যদি, হয় অপুত্ৰক ;
সিবিলাকে দেখে, দুঃখময় সংসাৰক।
সাধুৰ সন্তান যদি, দুষ্টমতি হয় ;
পিতৃ মাতৃ মনে একো সুখ নাথাকয়।
সুখ নাই যিটো হয় পৰৰ অধীন ;
অসুখতে দিন যায় হ'লে বিদ্যাহীন।

---

## দুৰ্জ্জনৰ কথাত বিশ্বাস কৰা অনুচিত।

দুৰ্জ্জনৰ মিষ্ট কথা বিষৰ নিচিনা ;
তাত ভুলে যিটো লোক, দিনতেই কণা।
মুখে দুষ্টে যেনেকুৱা, মিষ্ট কথা কয় ;
অন্তৰত তেনে ভাব, কাচিতো নহয়।
প্ৰিয় ল'ৰা এই কথা, সা'ৰ কৰি লবা ;
দুৰ্জ্জনৰ কথা তুমি, সত্য নামানিবা।

---

# কাৰ সমান কি নাই?

সাপৰ সমান খঙ্গ, কাৰো নাই নাই ;
হিমালয় সম গিৰি, পৃথিবীতে নাই ।
দ্বীপমধ্যে অষ্ট্ৰেলিয়া, সবাতোকৈ বড় ;
সাগৰৰ বড় নাই, প্ৰশান্তত পৰ ।
মিচিচিপি নদী সম, নদী বড় নাই ;
মিষ্ট বাক্য সম মিঠা, একো বস্তু নাই ।
পশু-মধ্যে ধূৰ্ত্ত নাই, শিয়াল সমান ;
নৰৰ অধম নাই, খলুৱাৰ মান ।
মন সম বেগৱন্ত, কোনোবা কি আছে ?
কালে কি কৰিব কাক, কোনেনো বুজিছে ?
নতুন ধনীৰ মান, নাই অহঙ্কাৰী ;
পিতা মাতা সম কোন্, আছে হিতকাৰী ?
মনমত পত্নীশোক, অতি গুৰুতৰ ।
সকলো শোকত কৰি, পুত্ৰশোক বড় ;
বিদ্যা সম বন্ধু আৰু ক'তো নাই নাই ;
কঠিন বচন তুল্য, তিতা-বস্তু নাই ।

দুঃখৰ সহায় বন্ধু, পাবলৈ টান ;
ধনী তাই তাৰ সম, আছে যাৰ ধান।
মাতৃহীন ল'ৰা সম, নাই দুৰ্ভগীয়া ;
কৃপণ ধনীৰ সম, নাই অসুখীয়া।
ঋণ, ৰোগ, শোক, চিন্তা, নাই শৰীৰত ;
তাত কৰি আছে, কোন্ সুখী সংসাৰত ?
ৰোগৰ সমান শত্ৰু, আৰু কোনো নাই ;
এলেহুৱা লোকত্কৈ, কাপুৰুষ নাই।
ধৰ্ম্মৰ সদৃশ শুভ, কাৰ্য্য একো নাই ;
ধৰ্ম্মাশ্ৰয় বিনে নাই, তৰণ উপায়।
নিৰাশ্ৰয়া বৃদ্ধা নাৰী অতীব দুখুনী ;
তাৰ সম দুখী নাই, ন'হ'লে সুগুণী।

---

## লোভ।

লোভেই কৰিছে কথা, যত লাগে মানে ;
লোভৰ নিমিত্তে কোনো, মৰিগৈছে প্ৰাণে।
লোভতেই যায় কাৰো, মান, লাজ, কুল ;
লোভেই কৰিছে কাৰো বংশকে নিৰ্ম্মূল।
লোভৰ নিমিত্তে কোনো, পড়ে ফাটকত ;
লোভৰ নিমিত্তে চাল, ছিগিছে কোবত।
সজ্জনে নকৰে লোভ, তাকে দেখি শুনি ;
উপাৰ্জ্জন কৰি খায়, যিপাৰে আপুনি।

উচ্চপাঠ।

ঈশ্বৰ-চৰণ বিনে, চিন্তাকে নকৰে ;
পৰৰ দ্ৰব্যক সদা, লোষ্ট্ৰ জ্ঞান কৰে।
তেনেকুৱা মহাত্মাৰ, বিপদ নহয় ;
সিকাৰণে সি সবক, বোলে সদাশয়।

---

## গালি পৰা মানুহৰ ঔষধ মিষ্ট কথা।

দুষ্টলোক বোৰে যদি, কৰে তিৰস্কাৰ ;
মিষ্টকথা ক'বা হ'ব তাৰ প্ৰতিকাৰ।
গালি শুনি গালি দিলে, কন্দল বাঢ়য় ;
গুণিগণে উভয়কে, অশিষ্ট বোলয়।
দুৰ্জ্জনক লজ্জা দিয়া, থাকে যদি মন ;
মিষ্ট কথা ক'বা, কৰি কোপ সম্বৰণ।

## খঙ্গ।

ন' কৰিবা খঙ্গ শিশো ! কাৰো ওপৰত ,
জগৰৰ মূল খঙ্গ খ্যাত জগতত।
খঙ্গৰ নিমিত্তে কোনো, প্ৰাণেই মৰিছে ;
খঙ্গতেই কত লোকে, আনকো মাৰিছে ;
যি দেশৰ লোক বোৰ, বড় খঙ্গিয়াল ;
সিহঁতৰ কেতিয়াও, নুগুছে জঞ্জাল।

খঙ্গতেই থান থান হয় পৰিবাৰ ;
খঙ্গতেই কত লোকে, বয় দুঃখ ভাৰ।
খঙ্গতেই চেনেহৰ, জৰিছিগি যায় ;
খঙ্গতেই কটাকটি, কৰে ভাই ভাই !
খঙ্গতেই ওৰ পৰে, ধনৰ ভণ্ডাৰ ;
ৰজাৰো খঙ্গৰ হেতু, যায় ৰাজ্যভাৰ।
প্ৰিয় ল'ৰা ! তুমি হিত উপদেশ ধৰা,
প্ৰাণপণে খঙ্গ শত্ৰু, উপশান্ত কৰা।

---

## কেনে ছাত্ৰক শিক্ষকে ভাল পায়।

মনোযোগ কৰি যিটো ছাত্ৰে পাঠ শিকে ;
কিৰিও নেচায় যিটে, কুকৰ্ম্মৰ দিকে।
কেতিয়াও নাপাহৰে গুৰুৰ বচন ;
নকৰে কখন যিটে, অসদাচৰণ।
তেনেকুৱা ছাত্ৰবিলে, শিক্ষকৰ মন ;
পৰম সন্তুষ্ট থাকে, সদা সৰ্ব্বক্ষণ।

---

## সত্য।

সত্য পথে যাবা শিশো ! সত্য কথা ক'বা,
অসত্য কথাক তুমি, মুখত নানিবা।

সত্যকে মানিবা তুমি, মনে কৰি সাৰ;
তেনে হলে আয়ু যশ, বাঢ়িব তোমাৰ।
"ৰূপ কুল ধন বিদ্যা থাকোক সুগুণ;"
মিথ্যাবাদী হ'লে হয় সকলো দুর্গুণ।

---

## মূৰ্খতা।

মূৰ্খে যত দোষ কৰে, তাৰ সীমা নাই;
ভাল বেয়া কাক বোলে, বুজকে না পাই
কোন্ শত্রু কোন্ মিত্র, একোকে নেজানে
মুখে মিষ্ট কোৱাকেই, মিত্র বুলি মানে।
পিতা মাতা দিয়ে যদি, হিত উপদেশ;
মূৰ্খে ভাবে সিবিলাকে, কৰিছে বিদ্বেষ।
অন্ধজনে যেনেকৈ, দিশ হেৰুৱায়;
বাট এড়ি হাবি আৰু, খাললৈহে যায়।
সেইৰূপে মূৰ্খলোকে, সত্পথ এড়ি;
কুপথেহে ফুৰে সদা, মহা ৰঙ্গ কৰি।

---

## কাৰ কি নাই।

যমে কি কৰিব দয়া, পুত্ৰ দুখুনীৰ;
সচা কথা ক'তো নাই ধূৰ্ত্ত বেপাৰীৰ।

দুর্জ্জনৰ ক্ষমাগুণ দেখিবলৈ নাই ;
খঙ্গিয়ালে মিত্র ক'তো বিচাৰি না পায়।
চিৰ কাল পীৰিতি না ৰাখে খলুৱাই ;
বিদ্যাহীন লোকে ক'তো সম্মান না পায়।

---

## শপত খোৱা বেয়া।

ঘনে ঘনে যিটো লোকে, দিব্য কৰি থাকে ;
জ্ঞানী জনে মিথ্যাবাদী, বুলি কয় তাকে।
প্রবঞ্চনা দোষে যাৰ, মন কলুষিত ;
শপত খাবলৈ তেঁও, নহয় কুণ্ঠিত।
এটি বাক্য সমাপনে, তিনি দিব্য কৰে ;
সংসাৰত শঠ নাই, নিজনত পৰে।
এতেকেহে প্রিয় ল'ৰা, উপদেশ ল'বা ;
সঁচা ক'বা কেতিয়াও, দিব্য নকৰিবা।

---

## বিনয়।

বস্ত্রহীন অলঙ্কাৰে, শোভা নকৰয় ;
লোণ-হীন ব্যঞ্জন কি তৃপ্তিকৰ হয় ?
যিটো পুৰুষৰ নাই, বিনয় বচন ;
সি কি কাৰোবাৰ হয় প্রণয়ভাজন ?

COTTON COLLEGE GAUHATI MAY 20

প্রিয় ল'ৰা নকৰিবা তুমি অহঙ্কাৰ ;
বিনয় বচন সদা, কৰা ব্যৱহাৰ।
সৰ্ব্বপ্ৰিয় হয় লোক, বিনয় বচনে ;
ৰাখা এই উপদেশ আপোনাৰ মনে।

---

## গুণী পুত্র।

মূৰ্খ পুত্র হয় যদি, এশ বা হাজাৰ ;
সিহঁতৰ পৰা নাই একো উপকাৰ।
যেনে শস্য ক্ষেত্রে জন্মি, বনৰীয়া বন ;
কৃষকৰ অপকাৰ কৰে অগণন।
যি বংশত শঠ মূৰ্খ, বহু পুত্র হয় ;
সি বংশৰ মান হয়, অৱশ্যে বিলয়।
যথা সৰোবৰে শোভে, প্ৰফুল্ল কমল ;
গুণী পুত্রগণে কৰে, বংশক উজ্জ্বল।
গুণী শিষ্ট পুত্র যদি, এটিয়েই হয় ;
অনেক মূৰ্খত কৰি, সেয়ে শ্রেষ্ঠ হয়।
এক চন্দ্রে জগতৰ অন্ধকাৰ হৰে ;
অসংখ্য তৰাই তেনে কদাচ নোৱাৰে।

# ৰজা।

প্ৰজাক ৰাখিলে সুখে, নৃপতিৰ সুখ ;
প্ৰজাক পীড়িলে হয়, নৃপতিৰো দুখ।
স্বেচ্ছাচাৰী নৃপতিৰ, আছয়ে সংস্কাৰ ;
প্ৰজাক বিনীত কৰে, কৰি অত্যাচাৰ।
তেনে নৃপতিক প্ৰজা, কৰে কিন্তু ভয় ;
ভয়ৰ লগতে ঘৃণা, দ্বেষো উপজয়।
পৰিশেষে অত্যাচাৰ, অসহন হ'লে ;
সকলোৱে অমঙ্গল, সাধে ছলে বলে।
যি ৰজালৈ যত ভয়, কৰি থাকে প্ৰজা ;
প্ৰজাৰ ভয়তো তত, চিন্তান্বিত ৰজা।
সন্তক পালিব ৰজা, দুষ্টক দণ্ডিব ;
কোনো ৰূপে পক্ষপাত, কাকো নকৰিব
অধীনস্থ প্ৰজাবোৰ, সন্তান সদৃশ ;
জ্ঞান কৰি, পালি থাকে, ৰজা অহর্নিশ।
বিদ্যা বুদ্ধি ধন সুখ, বৃদ্ধি হয় যাতে ;
প্ৰজাৰ প্ৰবৃত্তি ৰজা, ওপজাব তাতে।
তেনেকুৱা নৃপতিৰ, বিপদ নহয় ;
সাৰ্থক জীৱন ৰজা, যথাৰ্থই হয়।

## কাৰ কিহত প্ৰয়োজন নাই।

কলাৰ কি কাম আছে, ভাল সঙ্গীতত ;
অন্ধৰ কি প্ৰয়োজন, আছে দৰ্পণত ?
দুৰ্জ্জনৰ ধৰ্ম্মশাস্ত্ৰে, নাই প্ৰয়োজন ;
ৰজাৰ দণ্ডলৈ ভয়, নকৰে সজ্জন।
নীৰোগীৰ ঔষধত, নাই প্ৰয়োজন ;
প্ৰকৃত সাধুৰো দোষকাৰ্য্যে নাই মন।
পশু-প্ৰায় থাকিবলৈ, যাৰ লজ্জা নাই ;
লেখা পঢ়া শিকিবলৈ, তাৰ ইচ্ছা নাই।

---

## গৰু।

শৰীৰ-নিঃসৃত স্তনদুগ্ধ দিয়া মাতা ;
সন্তানক পোষে কৰি, অনেক মমতা।
সসাগৰা পৃথিবীৰ, অধিপতি যেনে ;
স্তনৰ ওপৰে কৰ্ত্তা, শিশু বোৰো তেনে।
কোনো স্থানে এনে লোক, থাকিবও পাৰে ;
উক্তৰূপ-ৰজা সঙ্গে, বিসম্বাদ কৰে।
সন্তানক উপেক্ষিয়া, কিন্তু দুগ্ধ হৰে ;
তেনে লোক বহু নাই, পৃথিবী ভিতৰে।
অজলা গৰুক পাই, নিৰ্দ্দয় মানবে ;
তেনেকুৱা দুগ্ধ সদা, হৰি থাকে সবে।

গাই দামুৰীক কিছু, খেড় বন দিয়া ;
নকৰে শুশ্ৰূষা একো, স্বাৰ্থপৰ হিয়া ।
দেশান্তৰে গোবৎসাদি, বড় সুখে থাকে ;
অতি অনাদৰ কৰে, অসমীয়া লোকে ।
ল'ৰা বুড়া যিটো অন্ধ, কামে পটু নয় ;
আমাৰ দেশত সেয়ে, গৰখীয়া হয় ।
অকৰ্ম্মণ্য ভগা ঘৰ, যি থাকে বাড়ীৰ ;
গৰুৰ জানিবা সিটি, শয়নমন্দিৰ ।
চাৰিপাশে ভিতৰতো, চৌৰাশি নৰক ;
তাতে শাস্তি কৰে যেনে, যমে পাপিষ্ঠক ।
আবেলী হলেহে গৰু, মেলিবৰ ৰীতি ;
তুৰি মুৰি কৰিলে, কোবতে ছিঙ্গে পিঠি ।
টকলা পথাৰে ঘাঁহ, যি কেদালি পায় ;
প্ৰাণ ৰাখি থাকে গৰু, তাকে মাত্ৰ খায় ।
নিৰীহ ও শিষ্টাচাৰী, বলদ বিলাকে ;
প্ৰাণপণে নাঙ্গল, শকট টানি থাকে ।
নাই পৰিবাৰ পুত্ৰ, নাই কন্যা নাতি ;
পৰৰ কাৰণে শ্ৰম, কৰি থাকে আতি ।
নাই নাই অকৃতজ্ঞ, সি লোকত পৰে ;
গৰু ভালে ৰাখিবলৈ, যত্ন যি নকৰে ।

---

# কুকুৰ।

বহু আশা কৰে মনে, অল্পো যদি পায়;
পৰিতুষ্ট হয় বড়, তাকে মাত্র খাই।
আপোনাৰ বিপদলৈ, চিন্তাকে নকৰে,
প্ৰভুৰ আদেশ সদা, শিৰোগত কৰে।
ধৰ বুলি গৰাকীয়ে, যাক দেখুৱায়;
বলিষ্ঠ হলেও তাক, আক্ৰমিবে যায়।
তিনি জন ৰখীয়াই, যি কৰ্ম্মত হাৰে;
অকলেই সেই কাৰ্য্য, সাধয় কুকুৰে।
নিদ্ৰা পৰিহৰি কৰে গৃহস্থক ৰক্ষা;
জ্ঞাতি কুটুম্বেৰে কিন্তু, সৰ্ব্বদাই কক্ষা।
চোৰ দস্যু সশঙ্কিত, কুকুৰক ডৰে;
নিশ্চিন্তে গৃহস্থ শোৱে, থাকে যাৰ ঘৰে।
আপুনিও ডাবি দিয়ে, আনকো জগায়;
প্ৰভুৰ সম্পত্তি বোৰ, যাতে ৰক্ষা পায়।
চুৰ কৰা ডকাদিয়া, গৰহিত কৰ্ম্ম;
"ভউ ভউ" ৰবে কয়, অধৰ্ম্ম অধৰ্ম্ম।
কাৰ্য্যৰ গতিকে যদি, যায় কোনো স্থানে;
কাণ পাতি থাকে কিন্তু, গৰাকীৰ পিনে।
"ঔচ্" বুলি মাতিলেই, হই ত্বৰান্বিত;
প্ৰভুৰ নিকটে আহি, হয় উপস্থিত।

ৰাশি ৰাশি ধন দিলে, ভৃত্য পোৱা টান ;
অকপটী প্ৰভুভক্ত, কুকুৰ সমান।
গুৰু মানী লোক-বাক্য, যিমতে পালিবা ;
কুকুৰৰ কাৰ্য্য দেখি, তুমি শিকি ল'বা।

---

## কেতিয়া কাক চিনি ?

বজালেই কাঁহ পাত্ৰ, ভগা ভাল চিনি ;
সাক্ষীকলে চিনি লোক, কতদূৰ জ্ঞানী।
ভাল কৰি চিনি পায়, বিবাহৰ পৰে ;
পিতা মাতা প্ৰতি ভক্তি, পুত্ৰে কেনে কৰে।
পুড়িলেই চিনি ভাল, বেয়া ৰূপ সোণ ;
বিপদত চিনি মিত্ৰে, কেনে কৰে গুণ।
কথা কলে চিনি লোক, মূৰ্খ নে পণ্ডিত ;
সাধুক চিনিবা লেন, দেন কাৰ বিত।
ব্যৱহাৰে চিনি যাৰ, মনে আছে দয়া ;
পঢ়া আৰম্ভতে চিনি, ল'ৰা ভাল বেয়া।

# কাৰ দোষত কি হয়।

পিতৃ মাতৃ দোষে পুত্র, প্রায় মূর্খ হয় ;
অতিৰিক্ত শ্রমাদিতে, ৰোগ জনময় ।
এলাহতে কার্য্য নষ্ট, কত লোকে কৰে ;
সময়ান্তে বৃথা হায়, হায় কৰি মৰে ।
স্বামী দুষ্ট হলে দুষ্টা, হয় প্রায় নাৰী ;
শাহুৰ দোষতে হয়, বোৱাৰী দন্দুৰী ।
শিক্ষকৰ উপদেশ হেলা কৰা দোষে ;
কত জনে মহাকষ্ট ভোগে পাৰশেষে ।



# ভাল ল'ৰা।


যি ল'ৰাই শুনে সদা, শিক্ষকৰ বাণী ;
যাৰ বাক্যে সন্তোষিত, জনক জননী।
ভাই ভগিনীক স্নেহ, কৰে অকপটে ;
দাস বা দাসীকো বেয়া নোবোলে সততে।
কাঁৰো সঙ্গে কেতিয়াও, দ্বন্দ্ব নকৰয় ;
সবাৰো আগত সদা, মিষ্ট কথা কয়।
লগৰীয়া বালকক, ভ্রাতৃ যেন দেখে ;
কাৰো প্ৰতি ক্ৰোধভাৱ, মনত নাৰাখে।
বৃদ্ধ কুব্জ খঞ্জক নকৰে উপহাস :
মনোযোগ কৰি কৰে, পাঠকে অভ্যাস।
বাটে ঘাটে বেয়া কথা, ৰটিয়া নুফুৰে ;
সকলো প্রাণীক সদা, দয়াকেহে কৰে।
সৰ্ব্বক্ষণ গুৰুবাক্য, কৰয় স্মৰণ ;
পাঠ্য পুথি ৰাখে, কৰি পৰম যতন।
প্রতিদিনে পাঠালয়ে, সময়তে যায়,
এলাহৰ বশীভূত, কখনো নহয়।
পৰদ্ৰব্য কেতিয়াও, চুৰ কৰি নানে ;
বেয়া কাৰ্য্য বিলাকক, ঘৃণা কৰে মনে।
এনেকুৱা ব্যৱহাৰী, যিটো ল'ৰা হয় ;
তাক ভাল ল'ৰা বোলে, যত সদাশয়।

# সকলোৰে উপদেশ গ্ৰহণীয়।

চোৰে চুৰ কৰিবলৈ, নিচোৰক বাধে;
পশু পক্ষী মৰা দোষ, বুলি ক'লে ব্যাধে।
জাল বোৱা ডোমে ক'লে, মাছ মৰা দোষ;
অসতে শঠক দেখি, কৰে অসন্তোষ।
অসতীয়ে জ্ঞান দিয়ে, শান্তি হোৱা বুলি;
কানীয়াই কয় কানী, নাখাবা সমূলি।
কৃপণে অনেক দান কৰিবলৈ কয়;
আপোনাৰ কপৰ্দ্দকো, হানি নকৰয়।
কবিৰাজ যি ৰোগত, নিজে থাকে পড়ি;
আনক ঔষধ দিয়ে, পুৰুষাৰ্থ কৰি।
যি জনে সদাই মিছা, কথা কই ফুৰে;
মিছা কথা মহা পাপ বুলি ঘিণ কৰে।
কৃতঘ্নে কৃতজ্ঞ হোৱা, বুলি জ্ঞান দিয়ে;
তত্ত্বজ্ঞান শিক্ষা দিয়ে, অতি অজ্ঞানীয়ে।
সদা এনে উপদেশ, দিয়ে খলুৱাই;
কাৰো কথা ক'তো তুমি, ন'ক'বাহে ভাই।
লোভীয়ে আনক বোলে, লোভ পৰিহাৰ্য্য;
গৰ্ব্বৱন্তে কয় গৰ্ব্ব, কৰাই অকাৰ্য্য।
ইসবৰ বাক্যে কোনে কৰিব বিশ্বাস?
বৰঞ্চ কৰিব লোকে, অতি উপহাস।

## মূৰ্খৰ খেদ।

ভাবি চালে কথা মিছা, নোহে একেবাৰে,
অভিজ্ঞতা লাভে উপদেষ্টা হ'ব পাৰে।
ন'গ'লে নেজানে কোন্ স্থান কত দূৰ;
নাখালে নেজানি বস্তু তিতা নে মধুৰ।
সাপে একবাৰ যাক আগে দংশিছিল;
সিয়েই হে জানে কেনে বিষ লাগিছিল।
দোষ কৰি দণ্ড পোৱা লোক পৰীক্ষিত;
সিহঁতৰ উপদেশ লোৱা সমুচিত।
যুক্তিযুক্ত উপদেশ, মানিবা যতনে;
শামুকৰ মুক্তা বুলি ক'ত কোনে ঘিণে?



# উপদেশ।

নকৰিবা শিশু বৃথা খেলা, নকৰিবা বিদ্যাভ্যাসে হেলা,
নকৰিবা কোনো মানুহক তিৰস্কাৰ ;
পিতৃক মাতৃক নিতে নিতে, কৰিবাহা ভক্তি একচিতে,
তেবেসে জীৱন সাৰ্থক হ'ব তোমাৰ।
যিজন জগত-অধিপতি, যাঁব দয়া প্ৰকাশিছে অতি,
যাঁৰ কৃপাগুণে লভি আছা নৰকায় ;
যাঁৰ নাম গাই পাপী তৰে, যাঁৰ গুণে দুঃখ দূৰ কৰে,
সিজন ঈশ্বৰ, আৰাধাহা সৰ্ব্বদাই।
যি দেশত তুমি উপজিছা, য'তে ঘৰ বাড়ী কৰি আছা,
সি দেশক তুমি মাতৃ মানি' লবা মনে ;
তাত বাস কৰা যত নৰ, সম্বন্ধত ভাই পৰস্পৰ,
সি সবৰ শুভ চেষ্টা কৰা পাৰা মানে।
দৰিদ্ৰ বিলাকে মাগি ফুৰে, তাক দেখি তুমি নেহাঁহিবা,
শক্তি অনুসাৰে সিহঁতক দিবা দান ;
যদি বা নাথাকে ধন ধান, তেন্তে দিবা মিষ্ট সমিধান,
ন' ক'বা ন' ক'ব, সিহঁতক কথা টান।
যাব সঙ্গে তুমি পঢ়া নিত, ন'ক'ৰিবা দ্বন্দ্ব কদাচিত,
অকপটে স্নেহ কৰিবাহা সমুচিত ;
কিন্তু পঢ়া পক্ষে জিড্ ভাৱ, ৰাখিবা মনত গুপ্ত কৰি,
দ্বেষ ভাব মনে ৰাখা অতি অনুচিত।

ব্যৱহাৰ নিৰ্গুণ লোকৰ, আছে এনেকুৱা দোষকৰ,
আনৰ গুণত দুঃখ ভাবে মনে মনে ;
নিজে গুণৱন্ত হবলই, কেতিয়াও চেষ্টা নকৰয়,
তেনেকুৱা তুমি ন'হ'বাহে কোনো দিনে।

---

# পিতা মাতাৰ স্নেহ।

দহ মাহ গৰ্ভ বহি, অশেষ যাতনা সহি
জনমায় পুত্ৰ জননীয়ে ;
মল মূত্ৰ এৰে যত, নিঘিণি গুছায় তত,
তাত পড়ি থাকিব নিদিয়ে।
সন্তানৰ সুবদনে, দিয়ে স্তন হৃষ্ট মনে,
আন কৰ্ত্তব্যক পাছ কৰি ;
যি যি বস্তু লঘু অতি, সাৱধানে স্নেহৱতী,
ভোজন কৰায় হাত ধৰি।
সন্তানৰ ৰোগ হ'লে, কান্দে বড় বিয়াকুলে,
আন চিন্তা নাথাকে মনত ;
শয়ন ভোজন এড়ি, থাকে ঈশ্বৰকে স্মৰি,
পুত্ৰ-ৰোগ দেখি অবিৰত।
বৈদ্যৰ ব্যৱস্থা মতে, দুগ্ধপোষ্য ল'বাহতে,
খাব যদি নোৱাৰে ঔষধ ;

সন্তাক খাবলৈ কয়  মিষ্ট বস্তু যত হয়,
তাক কাৰ সমূলি নিষেধ।
সন্তানৰ পৰিবৰ্ত্তে,  আপোনাৰ প্ৰাণ দিতে,
পাৰে, মিষ্ট বস্তু কোন্ কথা ?
শয্যাগত সন্তানৰ,  দুঃখ দেখি নিৰন্তৰ,
বাঢ়ি যায় হৃদয়ৰ ব্যথা।
পুত্ৰৰ দেহৰ পৰা,  ৰোগ কাঢ়ি লব পৰা,
হকা হ'লে কোনো এটি বুদ্ধি ;
অক্ষুব্ধ চিত্তেৰে তাক,  সব লোকে দিলে হাক,
নোৱাৰা কাৰণত বিবুদ্ধি।
পুত্ৰৰোগ সময়ত,  জননীয়ে ভোগে কত,
এইৰূপে অসংখ্য বিকাৰ ;
এতিয়া হ'লাহি বড়,  মাতৃক ভাবিলা পৰ,
পাহৰিলা সেই উপকাৰ।
পিতা যেনে কুৱাকই,  শোণিতকে পানী কই,
পত্নী পুত্ৰ কন্যাৰ কাৰণে ;
অন্ন বস্ত্ৰ ধন ৰত্ন,  আৰ্জিবলৈ কৰি যত্ন,
সৰ্ব্বদাই ফুৰে প্ৰাণ পণে।
ভাল দ্ৰব্য কোনো দিনে,  মিলে যদি দুয়ো জনে,
নাখাই পুত্ৰলৈ থয় সাঁচি ;
উৰ্ম্মলি বা পঢ়ি ঘৰে,  উপস্থিত হ'লে পৰে,
তাকে সিহঁতক দিয়ে যাচি।

খুৱাই ধুৱাই ৰঙ্গে, কতোক্ষণ পুত্ৰ সঙ্গে,
মাতা কৰে ধেমালি অপাৰ ;
জননী সবৰ মনে, নাই ধন ই-ভুবনে;
পুত্ৰৰ সমান কোনো আৰ।
পৰিশ্ৰমে ক্লান্ত হই, সন্ধ্যা আস্ত ব্যস্ত কই,
পিতা ঘৰে আহিলে উলটি ;
দেখি শিশু হৰ্ষে বড়, ল'ৰ দিয়া পিতাকৰ,
ধৰে গই ভৰিত সাবটী।
দিবসৰ দুঃখমানে, তুচ্ছ ভাবে তেঁও মনে,
পুত্ৰৰ কমল মুখ চাই ;
ক্ষুধা তৃষ্ণাকো পাহৰি, দুঃখতে আনন্দ কৰি,
ভাবে সুখী "মোত পৰে নাই।"
বিদ্যা নিশিকাৰ বাবে, পিতা আৰু মাতা সবে,
মুখে দাবি মাজে মাজে দিয়ে ;
লোক মুখে পুত্ৰ-দোষ, শুনি কৰে অসন্তোষ,
গুণ শুনি সুধা যেন পীয়ে।
বিদ্যা ধন যশ বুদ্ধি, অনুক্ৰমে হ'লে বৃদ্ধি,
সন্তোষ সাগৰে মগ্ন হয় ;
সেয়ে ন'হ'লে হে মনে, খেদ কৰে দুয়ো জনে,
সংসাৰক দেখে দুঃখময়।
কিবা কাৰ্য্যে কোনো দিনে, গ'লে পুত্ৰ দূৰস্থানে,
ঘৰে মাতা, দেহ মাত্ৰ ৰাখি ;

থাকে বাটলই চাই, নোধে যাকে তাকে পাই,
জলে পৰিপূৰ্ণ কৰি আঁখি।
উলটি নাপায় মানে, এই দৰে দিনে দিনে,
সময় খেদায় বিষাদত ;
আহি ঘৰে উপস্থিত, হ'লে হয় হৰষিত,
চন্দ্ৰ যেন মিলিল হাতত।
শৰীৰে বুলাই হাত, সাদৰে লগাই মাত,
"বাপা ! কিবা খাবা নে নোখোৱা ?
তোমাৰ ডুখুনী আই, আছোঁ মই বেতিয়াই,
আছে বস্তু সকলো যতোৱা।
মই মৰি গ'লে পাছে, তোমাৰ ভাগ্যে যি আছে,
সেয়ে হব খণ্ডাব নোৱাৰি ;
সি কথা নহয় মানে, থাকা তুমি হৃষ্টমনে,
খোৱা পিন্ধা হেতু চিন্তা এড়ি"।
জ্ঞাতি বন্ধু ভাই যত, আছে এই সংসাৰত,
কোনে এনে কৰিব চেনেহ ;
পুত্ৰ-মঙ্গল কাৰণে, সদা বাঞ্ছা কৰে মনে,
আপোনাৰ তুচ্ছ মানি দেহ।
এনে পিতা জননীৰ, কুবাক্যত নেত্ৰনীৰ,
যিটো নৰাধমে উলিয়ায় ;
মনুষ্য জীৱনে তাৰ, ধিক্ ধিক্ শতবাৰ,
গাহৰী ন'হ'ল কিয় হায় !

---*---

# কাউৰ আৰু শিয়াল।

এখুটুৰা মাংস লই, পৰম হৰিষ হই,
কাক আহি পড়িল ডালত ;
খাব কি লুকাই থ'ব, থ'লে কোনোবাই নিব,
ঘোৰ চিন্তা লাগিল মনত।
মঙ্গহ ঠোঁটেৰ ধৰি, চাৰিফালে দৃষ্টি কৰি,
বায়সে ভাবিছে সদুপায় ;
অলপ * এতিয়া খাওঁ, অলপ লুকাই থওঁ,
সজ বস্তু নিমিলে সদাই।
দূৰদৰ্শী লোকে কয়, যিটে সাঁচি ৰাখি খায়,
তাৰ কষ্ট নহয় হঠাতে ;
বগলীয়ে যেটি পায়, মাছ ততালিকে খায়,
না পাইলে থাকে সুদা পেটে।
যত পায় তত খায়, অলপো সঞ্চিত নাই,
এই কৰ্ম্ম দৰিদ্ৰ-লক্ষণ ;
গৃহীয়ে যি দ্ৰব্য পায়, কিছু সাঁচে কিছু খায়,
তেনে ৰীতি অতি বিচক্ষণ।
সচিন্তিত আছে কাক, এনেতে শিয়াল এক,
সেই গছ তলে উপস্থিত ;
ওপৰলৈ চাই দেখে, মাংস লই কাকে মুখে,
ভাবে কাৰ্য্য কি কৰা উচিত।

---

* অলপ — অলপ্ কৈ।

স্বভাৱে নখৰ জাতি, মাংসৰ লুভীয়া অতি,
তাতে খায় দুৰ্ব্বলে আগত ;
মনে কৰি উৎপাত, উঠিব নোৱাৰি তাত,
উপায় চিন্তিলে অন্য মত।
বল বুদ্ধি আছে কিন্তু, দুপাখিৰে হীন জন্তু,
কাঢ়ি মাংস খোৱা সুকঠিন ;
“আজি-ঘটনালৈ চাই, চড়াই ন'হলোঁ হায়”,
খেদ কৰে ধূৰ্ত্তৰ প্ৰবীণ।
মাংস ফেৰি খাবলই, বড়াশা * কৰিছোঁ মই,
যত্ন কৰি দেখোঁ একবাৰ ;
কৃপা কৰি দিলে বিধি, হ'ব পাৰে কাৰ্য্য সিদ্ধি,
ন'হ'লে নো কি লজ্জা আমাৰ।
ধূৰ্ত্ত মধ্যে আমি যেনে, বায়সে চতুৰ তেনে,
ফাঁকি দিয়া সহজ নহয় ;
যত্নত ৰতন পায়, লোকে কয় সৰ্ব্বদাই,
দেখো চোন হয় নে নহয়।
আশাতেই বন্দী হই, থাকিলে ইয়াতে ৰই,
জাতিয়ে বা নিন্দা কৰে পাছে ;
আশা যেনে উপকাৰী, নকৰি কেনেকৈ পাৰ,
আশাতেই সংসাৰ চলিছে।

---

* বড় আশা।

মহা মহা ৰাজা যত, আশাৰ নিদানে কত,
কৰিছিল কাৰ্য্য সুমহত ;
সি সবক মনে কৰি, বুদ্ধি বল অনুসৰি,
চলিবই লাগিব সতত।
অমৃতৰ আশা কৰি, বহু পুৰুষাৰ্থ কৰি,
সাগৰ মথিলে দেৱাসুৰে ;
স্ত্ৰী-ৰত্নৰ প্ৰত্যাশায়, কষ্টে ভ্ৰমি নানাঠাঁই,
ত্ৰিলোক জিনিলে লঙ্কেশ্বৰে।
অভীষ্ট সিদ্ধিৰ হেতু, সমুদ্ৰত বান্ধি সেতু,
মহাৰাজ দশৰথ-সুত ;
ভালুক বান্দৰ লই, লঙ্কাত প্ৰবিষ্ট হই,
যুদ্ধ কৰিছিল অদভুত।
যুধিষ্টিৰ ৰাজা অতি, দানী মানী ধৰ্ম্মে মতি,
তেঁও কিন্তু ৰাজ্যৰ আশাত ;
দয়া ধৰ্ম্ম পৰিহৰি, দুৰ্ঘোৰ সমৰ কৰি,
জ্ঞাতিকো মাৰিলে অসংখ্যাত।
পৃথিবী হ'বৰে পৰা, সব লোক আশা কৰা,
বৰাবৰ আছে প্ৰচলিত ;
শুভাশুভ কাৰ্য্যচয়, আশাৰ নিদানে হয়,
যত্ন হ'লে নহয় বঞ্চিত।"
এই কথা ভাবি থাকি, বায়সলৈ চাই ডাকি,
ক'বলৈ ধৰিলে ধূৰ্ত্তৰাজ ;

"অহে পক্ষি তযু ৰূপ, দেখিবলৈ অপৰূপ,
সৰু বড় যত পক্ষী মাজ।
নব ঘন দূৰ্ব্বাদল, শ্যামপত্র শতদল,
সিবৰ্ণ নহয় তযু সম ;
এনে কৃষ্ণ বৰ্ণ হায়, আমি ক'তো দেখা নাই,
দেহৰো গঠন নিৰুপম।
ৰূপ গুণ এক ঠাঁই, দিয়া টান বিধাতাই,
সি কাৰণে আপুনি কি বোবা ?
বহু লোক মুখে শুনু, কাক সুগায়ক হুনু,
মই অধমক নবঞ্চিবা।
মই অতি মূঢ়মতি, না'জানো মিনতি স্তুতি,
নোৱাৰো বৰ্ণাব তযু গুণ ;
তযু সুমধুৰ স্বৰ, শুনি হুনু মনুষ্যৰ,
পৰম সন্তুষ্ট হয় মন।
নানা স্থানে অসংখ্যাত, পক্ষীৰ শুনিছোঁ মাত,
মনুষ্যৰো গীত আছোঁ শুনি ;
জনমেই হ'ল বৃথা, নুশুনিলোঁ তযু কথা,
কৰা পক্ষী একবাৰ ধ্বনি।"
শিয়ালৰ কথা শুনি, কাকে বড় হৰ্ষ মানি,
কা'কা', বুলি আৰম্ভিলে গান ;
মুখৰ মঙ্গহ সৰি, পড়িল ধোপোছ কৰি,
ধূৰ্ত্তে লই কৰিলে প্ৰস্থান।

তাৰ কুমন্ত্ৰণা দেখি, দুঃখিত বায়স পক্ষী,
অকথাতে প্ৰতাৰিত হই ;
মনোদুঃখে অপমানে, তাৰ পৰা অন্য স্থানে,
উড়ি গ'ল লাহে লাহে কই ।
দুষ্ট লোকে এই দৰে, নানা তোষামোদ কৰে,
অভিলাষ সিদ্ধিৰ কাৰণ ;
কাৰ্য্য সিদ্ধি হ'লে পাছে, মাতিলেও নাহে কাছে,
দেখিলেও কৰে পলায়ন ।

সম্পূৰ্ণ।

# বিজ্ঞাপন।

৺বলদেব মহন্ত প্ৰণীত।

তলত লেখা পুথিবোৰ আমাৰ ওচৰত পোৱা যায়।

| পুথিৰ নাম। | মূল্য। |
|---|---|
| উজুপাঠ ... ... ... | ৶০ |
| উজুপাঠাৰ্থ ... ... | ৴০ |
| আৰ্য্যাবলী ... ... ... | ৶০ |
| আখ্যানমালা ... ... | ।০ |
| গণিতাঙ্কুৰ ... ... ... | ৴০ |
| বৰ্ণশিক্ষা ১ম ভাগ ... ... | ৯ |
| „ ২য় ভাগ ... ... ... | ৴০ |
| „ ৩য় ভাগ ... ... | ৴৬ |
| খোবাখুবুণী ... ... ... | ৴৬ |
| বাৰভণী নামক বিষালী মন্ত্ৰ ... ... | ।০ |
| আসাম বুৰঞ্জী ... ... ... | ৸০ |
| কাৰ্য্যপৰিচয় ... ... | ।৶০ |
| গৃহমুকুৰ ... ... ... | ।০ |
| কবিতাচন্দ্ৰিকা ... ... | ৶১০ |
| কবিতাচন্দ্ৰিকাৰ অৰ্থ .. . | ৶০ |
| হিতোপদেশ ... ... | ৶০ |

ডি, এন, বৰুয়া এণ্ড সন্‌স্,

জেনাৰেল মাৰ্চেণ্টস্।

নগাঁও, আসাম।